# ঘৰচীয়া জন্তুৰ পেলু নিবাৰণ কৰো আহক

**পেলু নিবাৰণ**

গৰু, ম'হ, ছাগলী, গাহৰি, হাঁহ-কুকুৰা আদিৰ স্বাস্থ্যজনিত এক অন্যতম সমস্যা হ'ল পেলু বা কৃমি। ই তিনি প্ৰকাৰৰ - ঘূৰণীয়া, ফিটা আৰু চেপেটা। এই তিনি প্ৰকাৰৰ পেলুৱেই পশুধনৰ উৎপাদন বৃদ্ধিত আৰু স্বাস্থ্যৰ ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি কৰি আহিছে। সেয়েহে আজিৰ পশুপালকসকল এই বিষয়ে সজাগ হোৱা অতি প্ৰয়োজনীয়।

**পেলু নিবাৰণৰ প্ৰয়োজনীয়তা ঃ**

এই তিনি প্ৰকাৰৰ পেলু দেহৰ আভ্যন্তৰীন বিভিন্ন অংগত পোৱা যায়। যেনে - ক্ষুদ্ৰান্ত, বৃহদন্ত, পাকস্থলী, যকৃৎ, হাওঁফাওঁ, কলিজা ইত্যাদি। পেলুৰ দ্বাৰা আক্ৰান্ত পশুধনৰ উৎপাদন ক্ষমতা কমি যায় আৰু স্বাস্থ্যৰ অৱনতি ঘটে। গৰু-ছাগলী শুকাই-খীনাই হাড়ে ছালে লাগি যায়, শৌচ ঢিলা হয়, হজম শক্তি কমি যায় আৰু অৱশেষত মৃত্যুমুখতো পৰিব পাৰে। এই পেলুৰ কণী শৌচৰ লগত ওলাই গৈ অন্যান্য সুস্থ জীৱ-জন্তুকো আক্ৰান্ত কৰিব পাৰে।

**পেলু নিবাৰণ সময় ঃ**

আজিকালি পেলু নিবাৰণৰ বিভিন্ন দৰৱ পোৱা যায়, যিবোৰ ব্যৱহাৰ কৰা অতি আৱশ্যক। এনে দৰৱ ব্যৱহাৰৰ উপযুক্ত সময় হ'ল -

(ক) গৰু-ম'হ - বছৰত দুবাৰ। বাৰিষা আৰম্ভ হোৱাৰ ঠিক আগে আগে এবাৰ আৰু বাৰিষা শেষ হোৱাৰ পাছত এবাৰ। নতুনকৈ জন্ম হোৱা গৰু পোৱালিক ডেৰমাহ বয়সত পাইপেৰাজিন আৰু তিনিমাহৰ পাছত থিয়াবেনদাজ'ল খুৱাব লাগে।

(খ) ছাগলী - ছাগলী পোৱালীক ১ মাহৰ পাছত এই দৰৱ খুৱাব লাগে। প্ৰথম অৱস্থাত প্ৰতি মাহৰ মূৰে মূৰে আৰু ডাঙৰ হৈ অহাৰ লগে লগে প্ৰতি ৪-৬ মাহৰ মূৰত খুৱাব লাগে।

(গ) গাহৰি - গাভিনী গাহৰিক পোৱলি দিয়াৰ তিনি সপ্তাহৰ আগত আৰু অন্যান্য গাহৰিত প্ৰতি ৪ মাহাৰ মুৰে মুৰে খুৱাব লাগে।

(ঘ) হাঁহ-কুকুৰা - কুকুৰা পোৱালিক এই দৰৱ দিয়া নহয়। ২ মাহ মান বয়সৰ পৰাহে প্ৰতি মাহে দৰৱ খুবাৰ লাগে।

**ল'ব লগা সাৱধানতা ঃ**

(ক) দৰৱ সদায় পশু চিকিৎসকৰ পৰামৰ্শমতে উপযুক্ত পৰিমাণতহে দিব লাগে।

(খ) দানা বা পানীৰ লগত দৰৱ মিহলাই খুওৱাব পাৰি।

(গ) সদায় পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিব লাগে।

(ঘ) গোৰৰ সদায় গোহালিৰ পৰা আঁতৰত পেলাব লাগে।

(ঙ) পেলুৰ দৰৱ খুওৱাৰ আগে আগে ১০ ৰ পৰা ১২ ঘন্টামান সময় (বয়সৰ ওপৰত ভিত্তি কৰি) খালী পেটে ৰাখিব লাগে।

*****

**(উৎস ঃ পশু চিকিৎসা মহাবিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, গুৱাহাটী - ২২)**